
# জৱাহৰজ্যোতি
## ২০১৩-১৪

জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী
৩৬ তম্ সংখ্যা ঃ বৰ্ষ ২০১৩-১৪



সম্পাদক
নিপজ্যোতি বৰ্মন

JAWAHARJYOTI : 36th Issue : Session 2013-14

# সূচীপত্র


| | | |
|---|---|---|
| অতীতৰ খেতিয়ক সকলৰ কিছুমান লাগতিয়াল সঁজুলিৰ বিৱৰণ | প্ৰাঞ্জল ৰাভা | ১-৩ |
| আহোম যুগৰ মৈদামৰ ওপৰত এটি আলোকপাত | নিতুমণি ৰাভা | ৪ |
| কোচসকলৰ ইতিবৃত্ত | কৃষ্ণা ৰাভা | ৫ |
| "সাম্প্ৰতিক পৰিস্থিতিত পৰিৱেশ অধ্যয়নৰ আৱশ্যকতা" | দিম্পী দাস | ৬-৭ |
| বকো অঞ্চলৰ লোক সংস্কৃতি | শ্ৰীবিশ্বজিৎ শালৈ | ৮ |
| পুলিন দাৰ সোঁৱৰণত | নিপজ্যোতি বৰ্মন | ৯ |
| আহোম যুগত নিৰ্মিত শিৱসাগৰ জিলাৰ বিভিন্ন কীৰ্তি চিহ্নসমূহ | নিবেদিতা ৰাভা | ১০ |
| ত্ৰাস, অবিশ্বাস আৰু অন্ধবিশ্বাস | সীমান্ত ৰাভা | ১১-১২ |
| মোৰ দিনলিপিৰ ভাষাৰে কলেজৰ এটি পাহৰিব নোৱাৰা স্মৃতি | গৌৰৱজোতি বড়ো | ১৩ - ১৫ |
| নিৰ্মল শৰৎ | মিচ লোপামুদ্ৰা ৰাভা | ১৫ |
| চাহৰ দোকানৰ পৰা দিল্লী দৰবাৰলৈ নৰেন্দ্ৰ মোদী | প্ৰকাশ ছেত্ৰী | ১৬ |
| ভূটানৰ বিদ্যুতে পোহৰাই তুলিবনে অসমক | জ্যোতিপ্ৰসাদ বড়ো | ১৭ - ১৮ |
| আনৰ হক নষ্ট কৰা আৰু হাৰাম মাল সংগ্ৰহ কৰা মহা পাপ | মিছ ৰূপচানা অহমেদ | ১৯ |
| গণশিল্পী খগেন মহন্ত ঃ সোণৰ ৰথে পথে পথে সাঁচ বহুৱাই | ড° প্ৰাণেশ্বৰ নাথ | ২০-২৩ |
| ভ্ৰমণৰ মিঠা অনুভৱ | ড° দীপাংকৰ শৰ্মা | ২৪-২৬ |
| উপকাৰী অণুজীৱ ঃ প্ৰোবায়'টিক্স | ৰেখা ছেত্ৰী | ২৭-২৮ |
| বীৰ চিলাৰায় | অনামিকা ৰাভা | ২৮ |
| ভাৰতৰ পৰিষ্কাৰ চহৰ Mawlynnong | নন্দা দেৱী | ২৯-৩০ |
| জিজ্ঞাসা | ভণ্টিদীপা ৰাভা | ৩০ |
| নাঙেলী গীত | বিজয়া ডেকা | ৩১-৩৩ |
| আত্মবিশ্বাস | নিপজ্যোতি কলিতা | ৩৩ |
| আকৌ কেতিয়ালৈ লগ পাম তহঁতবোৰক | চন্দনা ৰাজবংশী | ৩৪ |
| পৰুৱাই বাট চিনে কেনেকৈ? | যতীন্দ্ৰ বড়ো | ৩৪ |
| ভয় | বিশ্বজিৎ শালৈ | ৩৫ |
| প্ৰেম, ভালপোৱা আৰু বন্ধুত্ব | নৱজিৎ কলিতা | ৩৬ |
| জানি থোৱা ভাল | মিনাক্ষী বড়ো | ৩৬ |
| Economics ক্লাছ আৰু আমি | জিতুল ঠাকুৰীয়া | ৩৭ |
| পৃথিৱীৰ উৎপত্তি কেনেকৈ হৈছিল? | যতীন্দ্ৰ বড়ো | ৩৮ |
| সেই যে চেঁকুৰা ঘোঁৰাটো | ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া | ৩৯ |
| ল'ৰালি | মিচ অনামিকা কলিতা | ৪০ |
| প্ৰেমৰ চাকি গছি | মিচ অম্বিকা ৰাভা | ৪১ |
| আশা | শ্ৰীখতুপৰ্ণা কলিতা | ৪১ |

# নাঙেলী গীত

বিজয়া ডেকা
সহযোগী তথা মুৰব্বী অধ্যাপিকা
শিক্ষা বিভাগ

অসম বাৰে বৰণীয়া সংস্কৃতিৰ ভঁৰাল। পাহাৰ-ভৈয়াম-নৈ-টিলাৰে আৱৰা অসমত নানা জাতি-ধৰ্ম-বৰ্ণৰ গোষ্ঠীৰ লোকে বাস কৰে। তেওঁলোকৰ প্ৰত্যেকৰে নিজস্ব ভাষা, কলা-সংগীত-নৃত্য-ৰীতি-নীতি আদি আছে— যাৰদ্বাৰা বহল অসমীয়া সংস্কৃতি গঢ়ি উঠিছে। সেয়ে অসমীয়া সংস্কৃতি অতি চহকী।

অসমীয়া সংস্কৃতিৰ বৰপেৰাত দৰঙী কলা-সংস্কৃতিয়ে এক বৃহৎ অংশ অধিকাৰ কৰি আছে। লোক-গীত, বনগীত, গৰখীয়া গীত, বিয়াগীত, চেৰাঢেক, ব্যাহৰ ওজাপালি, সুকনান্নি ওজাপালি, ঢুলীয়া ভাওৰীয়া, পুতলা নাচ, ঢুলীয়া, কালীয়া, নাগাৰা নাম, কমলা কুঁৱৰীৰ গীত, নাঙেলী গীত আদিৰে দৰঙী কলা-সংস্কৃতি অতি টনকিয়াল।

অতীজৰে পৰা দৰং এখন কৃষি প্ৰধান জিলা। কৃষক তথা গৰখীয়াসকলে মুকলি আকাশৰ তলত, মুকলি পথাৰত তেওঁলোকৰ মনৰ ভাৱ নানা ধৰণে প্ৰকাশ কৰি আহিছে। গৰখীয়াসকলে মনৰ ভাৱ-অনুভূতিৰে প্ৰকাশ কৰি গোৱা গীত সমূহক সাধাৰণতে 'নাঙেলী গীত' বোলে। গৰখীয়াৰ সৃষ্টি বাবে ইয়াক গৰখীয়া গীতো বোলে। এই গীতসমূহ কোনো চহা বা নিৰক্ষৰ কবিৰ মুকলি পথাৰ বা সমাজৰ বাহিৰত গোৱা যৌৱনৰ গীত।

'নাঙেলী' শব্দই নগ্নতাক সূচায়। 'নাঙঠ' শব্দৰ পৰাই 'নাঙেলী' শব্দৰ উৎপত্তি বুলি বিজ্ঞলোকে ক'ব বিচাৰে। কোনো কোনোৱে আকৌ নাঙল+ঈ=নাঙলী বা নাঙেলী অৰ্থাৎ নাঙল মাৰা বা হালবোৱা লোকৰ গীত বুলিও কব খোজে। "খেতি-বাতি, গৰু-মহ, নাঙল-জোঙেলী আদিৰ লগত সদা সৰ্বদাই সম্বন্ধ সম্পৰ্কান্বিত লোকে গোৱা গীতক (নাঙল+ঈ) নাঙেলী গীত বুলিব পাৰি" (চহৰীয়া ঃ ২০০৭ ঃ ২১৫)

নাঙেলী গীত সমূহৰ কোনো স্বৰলিপি নাই। এইবোৰ মুখে মুখে চলি অহা গীত। গৰখীয়াসকলে গৰু চৰাওতে বা উমলোতে গোৱা এই গীতবোৰৰ মূল উদ্দেশ্য হ'ল দুখ-ভাগৰ বা শ্ৰম লাঘৱ কৰা আৰু আনন্দ-বিনোদন লাভ কৰা। বিহুগীত যৌনগন্ধী হোৱাৰ দৰে এই গীতবোৰো যৌনগন্ধী। বিহুগীতত নানান বাদ্যযন্ত্ৰ যেনে-ঢোল-পেপা-গগণা-তাল আদি ব্যৱহাৰ হয়। কিন্তু নাঙেলী গীতত কোনো বাদ্যযন্ত্ৰৰ ব্যৱহাৰ নাই। নাঙেলী গীতত কেৱল ল'ৰা বা নিৰক্ষৰ কবিৰ আবেগ-অনুভূতিবোৰ প্ৰকাশ পায়। ইয়াত প্ৰেম-নিবেদন অথবা গালি-গালাজ সুৰীয়াকৈ আৰু অশ্লীলতাৰ মাজেৰে প্ৰকাশ পায়। মুকলি পথাৰত গোৱা বাবেই বিনা সংকোচে গৰখীয়াসকলে এই গীতবোৰৰ মাজেৰে মনৰ ভাৱ প্ৰকাশ কৰে। সেইবাবে বিষয়বস্তু অনুসৰি 'নাঙেলী' গীতবোৰক দুই ধৰণে ভগাব পাৰি। এবিধত গৰখীয়াসকলৰ মাজত লগা কাজিয়া-নিন্দা আদিৰ আভাষ পোৱা যায়। যেনে—

আলিৰে দোৰেৰি কেকোৰা কেকুৰি
ভুঁইৰে দোৰেৰি পোন।
চৰকাৰী গোপচাৰত নাঙেলী মাৰ্‌চো
মোৰ কানকটা কোন।।
আম গাছে বাঁহা দিলো আমদেলি পিপিৰা
জাম গাছে বাঁহা দিলো টিয়া
লাগাঝি লাগ্‌বি ভাল্‌কে লাগ্‌বি
বাপে ভায়েৰাৰ কিবা।।

(চহৰীয়া ঃ ২০০৭ ঃ ২১৬)

আনবিধত গৰখীয়াসকলে কোনোবা গাভৰুলৈ প্ৰেম নিবেদন কৰে কিছুমান নাঙলীত গাভৰুৱে গৰখীয়াৰ প্ৰেমক হেয়জ্ঞান কৰাৰ কথাও উল্লেখ আছে----। যেনে----

আমৰে গাছতে কুলিয়ে বিনালে
বিচেৰী লগৰ লগৰী।
গৰু চাৰি থাকোতে তোলৈ মনত পৰে
মৰো ছাতি-ফুটি কৰি।।

আলি চাতি গেলো থোহা পাতি গেলো
থোহাতে লাগিলে মাওৰ
এইগিতা লিকিৰাক কিবা দেওৱে ধৰছি
টাঙানে টোকেনে আগুৰ।

নাঙেলী গীতবোৰক লালিলাং বুলিও কোৱা হয়। গৰখীয়াইঁতে লালীলাং এইদৰে গায়—

লালিলাং লউতুলি লালিলাং কউ বুলি
লালিলাং নাগাৱা কিয়া।
লালিলাং নাজানা লালিলাং নুবুজা
থিয়ৈ থিয়ৈ নমৰা কিয়া।

'নাঙেলী'বোৰ গাওঁতে কেতিয়াবা এজন গৰখীয়াই গীতবোৰ আগে আগে গাই যায় আৰু বাকীবোৰে কেৱল প্ৰতিটো চৰণৰ অন্তত 'কহকৈ, লহকৈ' বুলি কয়। সেইদৰে তৃতীয় আৰু ষষ্ঠ চৰণত 'কি কহকৈ লহকৈ' বোলাৰ লগতে শেষৰ শব্দটো উচ্চাৰণ কৰে। কোনোৱে এনেবোৰক ঠাৰ বুলিও কয়। ঠাৰ মানে সাংকেতিক ভাষা। অৰ্থাৎ অন্য লোকে বুজি নোপোৱাকৈ সংকেতত্তে কোৱা কথা। যেনে—

| | |
|---|---|
| ইয়োডাল শিমেলি— | কহকৈ লহকৈ |
| সিয়োডাল শিমেলি— | কহকৈ লহকৈ |
| কোনেনো মাক কাটাই— | কহকৈ লহকৈ আছে। |
| তোৰে বৈনাৰে— | কহকৈ লহকৈ |
| চহৰখান ঘূৰ্‌ছি— | কহকৈ লহকৈ |
| কোনেনো নাজানাই— | কহকৈ লহকৈ কি কহকৈ লহকৈ আছে। |

আনপক্ষ গৰখীয়াই উত্তৰ দিয়ে—

| | |
|---|---|
| হিদলতলী এলেঙা — | কহকৈ লহকৈ |
| হিদলতলী পিলিঙা— | কহকৈ লহকৈ |
| হিদলতলী আছিলা— | কহকৈ লহকৈ চাই। |
| বাপেৰাৰ মুখতে— | কহকৈ লহকৈ |
| মাৰে হাগিলা— | কহকৈ লহকৈ |
| আৱা পিঠাগুৰি— | কহকৈ লহকৈ কি কহকৈ লহকৈ খায়। |

সেইদৰে—

| | |
|---|---|
| আহুতলীৰ চপৰা— | তা হাতী হাতীয়াওঁ |
| বাপেৰে হ'ল দমৰা— | তা হাতী হাতীয়াওঁ |
| মাৰে হ'ল কাজেলী— | তা হাতী হাতীয়াওঁ |
| | তা হাতী হাতীয়াওঁ গাই। |
| বৰ ডোঙাৰ কাষেদি— | তা হাতী হাতীয়াওঁ |
| চেখুৰি চেখুৰি— | তা হাতী হাতীয়াওঁ |
| মাৰেক খেদি লৈ— | তা হাতী হাতীয়াওঁ |
| | তা হাতী হাতীয়াওঁ যায়। |

এই নাঙেলীবোৰত ব্যৱহাৰ হোৱা 'কহকৈ লহকৈ', 'তা হাতী হাতীয়াওঁ' আদি শব্দবোৰ অৰ্থহীন।

নাঙেলী গীতৰ ভাষা সহজ-সৰল। ই সম্পূৰ্ণ দৰঙী ৰাইজৰ কথিত বা মুখৰ ভাষা। নাঙেলী গীতত বহুতো দৰঙী শব্দ ব্যৱহাৰ হৈ আছে। যেনে—

| গীতৰ শব্দ | আধুনিক শব্দ |
|---|---|
| কিৱা | শপত |
| লাগ্‌বা | লাগিব |
| খাগেই | খোৱাগৈ |
| ভোথেৰি | জাৰি |
| পেল্লা | পেলালে |
| গেল | গ'ল |
| লিকিৰা | ল'ৰা |
| গুৰখীয়া | গৰখীয়া |
| ঝিয়া | ছোৱালী |
| এৰ্‌বা | এৰিব |
| কুঁইহাৰ | কুঁহিয়াৰ ইত্যাদি। |

'নাঙেলী' গীত মুখে মুখে চলি অহা বাবে ইয়াৰ ৰচক কোন জনা নাযায়। অথবা কেতিয়া ৰচনা হৈছিল সেইকথাও ঠাৱৰ কৰিব নোৱাৰি। ইয়াৰ পৰিমাণ কিমান সেই কথাও অনুমান কৰিব নোৱাৰি। তথাপি নাঙেলী গীতত 'নাঙেলী' ওঠৰ কুৰি বুলি উল্লেখ আছে। অৱশ্যে বেছিও হ'ব পাৰে।

নাঙেলী একুৰি নাঙেলী দুকুৰি
নাঙেলী ওঠৰ কুৰি।
ইপাৰৰ গৰখীয়াই হাতযোৰ কৰ্‌ছো
নাঙেলী নামেৰ্‌বা বুলি।।

গৰখীয়া ল'ৰাই গোৱা বাবে নাঙেলী গীতবোৰত নৈ, পাহাৰ,

চৰাই-চিৰিকতি, খেতি-বাতি, গছ-লতিকা, ৰ'দ-বৰষুণ, নিৰ্মল আকাশ আদিৰ ছবি কম-বেছি পৰিমাণে ফুটি উঠিছে। কিছুমান গীতত যৌন ভাৱৰ সলনি গৰখীয়া জীৱনৰ নিৰ্দোষ হাঁহি-ধেমালিৰ কথাহে আছে। কিছুমান গীতত যৌনতা প্ৰকাশ পালেও এই নাঙেলী গীতত এক মহান সত্য লুকাই আছে— সি নিঃসন্দেহ। আদিম কালৰে পৰা মানুহৰ সৃষ্টিৰ প্ৰতি অদম্য হেঁপাহ বৰ্তমান। সেই সৃষ্টি শইচ আৰু সন্তান উভয়ৰে। নাঙেলী গীতৰ মাজতো প্ৰকৃততে এই সৃষ্টিৰেই আহ্বান শুনা যায়। গৰখীয়াসকলেই মাটি আৰু মানুহৰ প্ৰকৃত খেতিয়ক। গৰখীয়াৰ আপদালত পথাৰত ঘাঁহ-পানী খাই ডাঙৰ-দীঘল হৈ পোৱালি দিয়ে ঘৰচীয়া গৰু-ম'হে। গৰখীয়াৰ ৰক্ষণাবেক্ষণতে সেউজীয়া ধাননি সোণোৱালী হৈ পথাৰ ভৰে। সেয়ে সৃষ্টিময় কথা দেখি দেখিয়েই গৰখীয়াৰ অন্তৰতো ধ্বনিত হয় মানুহৰ সন্তান কামনাৰ গীত 'নাঙেলী'। উপৰুৱা দৃষ্টিত অশ্লীল হৈয়ো আভ্যন্তৰীণ অৰ্থত সেয়ে নাঙেলী এক চিৰ শ্বাশ্বত সৃষ্টিৰ কামনা জড়িত সুন্দৰৰ গীত। (চহৰীয়া ঃ ২০০৭ ঃ ২১৯)

আনহাতে নাঙেলী গীতবোৰ দুলড়ী, অনুপ্ৰাস, চন্দ্ৰ আদিৰেও ভৰপূৰ। এনেবোৰ নাঙেলী গীত অসমীয়া সাহিত্যৰ সম্পদ স্বৰূপ। বৰ্তমান গৰখীয়া তথা চৰণীয়া পথাৰৰ অভাৱ, মানুহৰ জীৱন শৈলীৰ পৰিৱৰ্তন, শিক্ষিতৰ হাৰ বৃদ্ধি আদিৰ ফলত 'নাঙেলী' গীতবোৰ হেৰাই যাবলৈ ধৰিছে। নাঙেলী গীতবোৰ উদ্ধাৰ কৰি সংৰক্ষণ কৰাটো অতীৱ প্ৰয়োজন।

---

# আত্মবিশ্বাস

নিপজ্যোতি কলিতা
প্ৰাক্তন ছাত্ৰ

মানুহ যেতিয়া কিবা এটা ডাঙৰ সফলতা পায় তেতিয়াই একেবাৰে জীৱনটোৰ বাবে সফল হোৱা বুলি ভাবি লয়। ফলত তেওঁ নিজকে 'বিজয়ী বীৰ' বুলি ভাবি কৰ্ম এৰি হাত সাৱটি বহি থাকে। বেছিভাগ মানুহেই এনেকুৱা মানসিক প্ৰৱণতাৰ চিকাৰ হয়। এই মানসিক প্ৰৱণতাবিধ হৈছে অতি আত্মবিশ্বাস।

মানুহে এবাৰ কিছু ডাঙৰ সফলতা লাভ কৰিলে তেওঁৰ মনত এনেকুৱা এটা ধাৰণাই জন্ম লয়— "মইটো পাৰিমেই, মইটো পাৰিছোৱেই।" তেওঁ ভাৱে যে কৰ্ম নকৰিলেও আগৰ দৰে সফলতা পাবই। তেওঁ পাহৰি যায় যে তেওঁৰ সেই সফলতা ইতিমধ্যে অতীত। উদাহৰণ স্বৰূপে এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯০% নম্বৰ সহ উত্তীৰ্ণ হ'ল। সকলোৱে জানে যে তেওঁ খুব মেধাৱী। পিছত দেখা গ'ল যে উচ্চতৰ মাধ্যমিক পৰীক্ষাত তেওঁৰ ফলাফল সন্তোষজনক নহ'ল। অতি আত্মবিশ্বাসৰ দ্বাৰা আক্ৰান্ত হৈ তেওঁৰ এনেকুৱা হ'ব পাৰে। সকলোৰে ক্ষেত্ৰত এনেকুৱা নহয়।

গতিকে ক'ব পাৰি যে অতি আত্মবিশ্বাসৰ ফলত মানুহ বিফল হ'ব পাৰে সাময়িকভাৱে অথবা পূৰ্বৰ সফলতাৰ ধাৰাবাহিকতা ৰক্ষা কৰিব নোৱাৰিব পাৰে। সেয়েহে সাৱধান হোৱা উচিত।

অতি আত্মবিশ্বাসৰ ওপৰতে জয়লাভ কৰাৰ কেইটামান উপায়—

১। ইতিবাচক চিন্তা-চৰ্চা কৰিব লাগিব।

২। অতীতৰ সফলতাত বুকু ফিন্দাই বহি নাথাকি বৰ্তমানত আগতকৈ বেছি পৰিশ্ৰমসহ কৰ্ম কৰি যাব লাগিব।

৩। অতি আত্মবিশ্বাসে মনত অহংকাৰৰ জন্ম দিব পাৰে; সেয়ে আত্মসংযমী হ'ব লাগে।